অধ্যায় ১৪ ঃ বাচ্য

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ বাচ্যৰ প্ৰকাৰ

১৪.৩.১ কৰ্তৃবাচ্য

১৪.৩.২ কৰ্মবাচ্য

১৪.৩.৩ ভাৱবাচ্য

১৪.৩.৪ কৰ্মকৰ্তৃবাচ্য

১৪.৪ কেইটামান বিশেষ নিয়ম

১৪.৫ দ্বিকৰ্মক ধাতুৰ বাচ্য

১৪.৬ কেইটামান প্ৰচলিত ধাতুৰ কৰ্মবাচ্য আৰু ভাৱবাচ্যৰ সংক্ষিপ্ত ৰূপ

১৪.৭ বাচ্যত প্ৰত্যয়ৰ ব্যৱহাৰ

১৪.৮ বাচ্য পৰিৱৰ্তন

১৪.৯ প্ৰচলিত ধাতুৰ কৰ্মবাচ্য/ভাৱবাচ্যৰ বিস্তৃত ৰূপ

১৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.১১ অধিক জানিবলৈ

১৪.১২ অগ্ৰগতিৰ খতিয়ান

১৪.১৩ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত বাচ্য সম্বন্ধে সামান্য ধাৰণা লাভ কৰিব পাৰিব
- বাচ্যৰ প্ৰকাৰৰ বিষয়ে অৱগত হ'ব পাৰিব
- বাচ্যৰ বিভিন্ন প্ৰকাৰত বাচ্য পৰিৱৰ্তন কৰিব পাৰিব
- বাচ্যৰ নিয়মসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব।

১৪.২ পৰিচয়

আগৰ অধ্যায়সমূহত আপুনি ইতিমধ্যে সংস্কৃত ভাষাৰ বাক্যসমূহৰ বিষয়ে অৱগত হৈ আহিছে। সংস্কৃত বাক্যসমূহত সাধাৰণতে কৰ্ত্তা, কৰ্ম, ক্ৰিয়াৰ সমাহাৰ দেখিবলৈ পোৱা যায়। কৰ্ত্তা আৰু কৰ্মৰ লগত কাৰক-বিভক্তি, বিশেষণ, সৰ্বনাম, লিঙ্গ, বচন আদিৰ সমাৱেশ ঘটে। আনহাতে ক্ৰিয়াৰ লগত ল-কাৰ, প্ৰত্যয় আদি সাধাৰণতে সংলগ্ন হৈ থাকে।

দুটা বা ততোধিক পদ গোটখাই থকা বুজালে, তাক বাক্য বোলে। বাক্য দুবিধ— পূর্ণবাক্য আৰু খণ্ড বাক্য। যি বাক্যত কথা এটা সম্পূর্ণৰূপে প্রকাশ পায়, তাকেই পূর্ণবাক্য বোলে। যি বাক্যত কথা এটাৰ এটা খণ্ড মাথোন প্রকাশ পায়, তাকেই খণ্ড বাক্য বোলে। সংস্কৃত বাক্যত সামান্যভাৱে তিনি প্রকাৰৰ পদ সংঘটন (ক্রম) দেখিবলৈ পোৱা যায়— (১) কর্ত্তা আৰু কর্ত্তাৰ বিশেষণ, অথবা কর্ত্তাৰ বিশেষত্ব বুজোৱা গুণবাচক শব্দ, (২) কর্ম, তথা কর্মৰ বিশেষণ, (৩) ক্রিয়া পদ।

প্রত্যেক পূর্ণ বাক্যৰ পদসংগতি তিনি প্রকাৰ। এই পদ সংগতিক বাক্যৰ বাচ্য বোলে। বচ্ +ণ্যৎ = বাচ্য +(বক্তব্য)। যি ঠাইত যিটো প্রধানভাৱে বক্তব্য, সেই ঠাইত সেইটোৱেই বাচ্য। মানুহে মনোগত ভাৱক বাক্যৰ ৰূপত প্রকট কৰে আৰু এই বাক্য এই তিনিপ্রকাৰ বাচ্যত প্রকাশিত হয়।

এই অধ্যায়ত আপুনি বাচ্যৰ বিভিন্ন প্রকাৰ, বাচ্যত প্রত্যয়ৰ ব্যৱহাৰ, বাচ্য পৰিৱর্তন আদি বিভিন্ন বিষয় অধ্যয়ন কৰিব পাৰিব।

১৪.৩ বাচ্যৰ প্রকাৰ

সংস্কৃতত বাচ্য চাৰি প্রকাৰৰ পোৱা যায়। সেইকেইটা হ'ল— কর্তৃবাচ্য, কর্মবাচ্য, ভাৱবাচ্য আৰু কর্তৃ-কর্মবাচ্য অথবা কর্ম-কর্তৃবাচ্য।

১) **কর্তৃবাচ্য** (Active voice) ঃ যি বাচ্যত (অথবা বাক্যত) কর্ত্তা পদটোৱেই প্রধান বক্তব্য বিষয় তাকেই কর্তৃবাচ্য বোলে।

২) **কর্মবাচ্য** (Passive voice) ঃ যি বাচ্যত কর্ম পদটোৱেই প্রধান বক্তব্য বিষয়, তাকেই কর্মবাচ্য বোলে।

৩) **ভাৱবাচ্য** (Neuter Voice) ঃ যি বাচ্যত ক্রিয়াপদ (ভাৱ) টোৱেই প্রধান বক্তব্য বিষয়, তাকেই ভাৱবাচ্য বোলে।

৪) **কর্ম-কর্তৃবাচ্য** (Passive- Active Voice) ঃ যি বাচ্যত কর্মপদে নিজস্ব গুণৰ দ্বাৰা কর্ত্তাৰ দৰে কৰা দেখুৱাই, সেয়ে কর্ম-কর্তৃবাচ্য।

১৪.৩.১ কর্তৃবাচ্য

কর্তৃবাচ্যত কর্ত্তাপদটোৱেই প্রধান বক্তব্য বিষয়।এই বাচ্যত কর্ত্তাত প্রথমা বিভক্তি, কর্ম থাকিলে, কর্মত দ্বিতীয়া বিভক্তি আৰু ক্রিয়াটো কর্ত্তাৰ পুৰুষ আৰু বচন অনুসৰি হয়। কর্তৃবাচ্যত কর্ত্তাপদক 'উক্ত' (Mainly Spoken About) বুলি কোৱা হয় আৰু তাত প্রথমা বিভক্তি ব্যৱহৃত হয়। এই কর্ত্তাপদটোক 'উক্তে কর্তৰি প্রথমা' বোলা হয়। এই বাচ্যত কর্মপদ থাকিলে তাত দ্বিতীয়া বিভক্তি হয় আৰু এনেকুৱা কর্মপদক 'অনুক্ত' বুলি কোৱা হয়। এই কর্মপদটোক 'অনুক্তে কর্মণি দ্বিতীয়া' বোলে। যেনে—

সকর্মক (কর্ম থকা) বাক্যৰ উদাহৰণ—

১) স চন্দ্রং পশ্যতি ২) তৌ গ্রামান্ গচ্ছতঃ
৩) তে নগৰং গচ্ছন্তি ৪) বালিকা গ্রন্থং পঠতি
৫) ত্বং পয়ঃ পিবসি ৬) যুবাং গীতং গায়থঃ
৭) য়ুয়ং গৃহং গচ্ছথ ৮) অহং পুস্তকং পঠামি
৯) আবাং মন্দিৰং গচ্ছাবঃ ১০) বয়ং কণ্ডুকং ক্রীড়ামঃ

অকর্মক (কর্ম নথকা) বাক্যৰ উদাহৰণ—

১) শিশুঃ হসতি ২) বালকঃ ক্রীড়তি
৩) তে নৃত্যন্তি ৪) ত্বং হসসি
৫) অহম্ গচ্ছামি

১৪.৩.২ কর্মবাচ্য

কর্মবাচ্যত কর্মপদটোৱেইপ্রধান বক্তব্য বিষয়। এইবাচ্যৰ কর্ত্তাত তৃতীয়া বিভক্তি, কর্মত প্রথমা বিভক্তি আৰু ক্রিয়াটো কর্মৰ পুৰুষ আৰু বচন অনুযায়ী হয়। কর্মবাচ্যত কর্ম পদটোক উক্ত বোলে, সেই কাৰণে ইয়াত প্রথমা বিভক্তি ব্যৱহাৰ কৰা হয় আৰু এনেকুৱা কর্মপদক 'উক্তে কর্মণি প্রথমা' বোলা হয়। কর্মবাচ্য আৰু ভাৱবাচ্যৰ কর্ত্তাত তৃতীয়া বিভক্তি হয় আৰু এনেকুৱা কর্ত্তাক 'অনুক্তে কর্তৰি তৃতীয়া' বোলে। কর্মবাচ্য আৰু ভাৱবাচ্যৰ ক্রিয়াৰ ধাতু আত্মনেপদী হয়। লট্, লোট্, লঙ্ আৰু বিধিলিঙত ধাতুৰ পাছত 'য়' যোগ হয়। অকর্মক সমাপিকা ক্রিয়া থকা বাক্যত কর্মবাচ্য হ'ব নোৱাৰে। কর্মবাচ্যৰ উদাহৰণ—

১) তেন চন্দ্রো দৃশ্যতে ২) তাভ্যাং গ্রামাঃ গম্যন্তে
৩) তৈঃ অন্নং ভূজ্যতে ৪) ত্বয়া পয়ঃ পীয়তে
৫) যুৱাভ্যাং গীতিঃ গীয়তে ৬) যুস্মাভিঃ বস্ত্রং পৰিধীয়তে
৭) ময়া পুস্তকং পঠ্যতে ৮) আৱাভ্যাং শিৱঃ পূজ্যতে
৯) অস্মাভিঃ সন্ধ্যা উপাস্যতে



জানি থোৱা ভাল

সকর্মক আৰু অকর্মক ধাতু (ক্রিয়া)ঃ ক্রিয়া দুই প্রকাৰৰ। সকর্মক আৰু অকর্মক।

সকর্মক ঃ যি ক্রিয়াত কর্ম থাকে তাক সকর্মক ক্রিয়া বোলে। এই ক্রিয়াৰ কার্য্য কোনো বস্তুৰ ওপৰত হয়, সেই বস্তুটোক সেই ক্রিয়াৰ কর্ম বোলে। যেনে— অহং চন্দ্রং পশ্যামি। ইয়াত 'পশ্যামি' ক্রিয়াৰ 'চন্দ্র' কর্ম। সকর্মক ধাতুৰ ক্ষেত্রত জড়িত এটা প্রচলিত শ্লোক হৈছে—

'পঠনে ভক্ষণে যানে হননে কৰণে তথা।
অর্জনে বর্জনে পানে ৰক্ষণে ক্ষালনে তথা।।
ভজনে গমনে ত্যাগে সেৱনে হৱনে তথা।
এৱমাদিষু বাচ্যেষু ধাতৱঃ কর্মসংযুতাঃ।।

সংস্কৃতত সাধাৰণতে গমনার্থক, জ্ঞানার্থক, অধ্যয়নার্থক, ভোজনার্থক, পূজার্থক, প্রাপ্ত্যর্থক আদি ধাতুবিলাক সকর্মক হয়।

অকর্মক ঃ যি ক্রিয়াৰ কর্ম নাথাকে, তাক অকর্মক ক্রিয়া বোলে। ইয়াত ক্রিয়াৰ কার্য্য কোনো বস্তুৰ ওপৰত নহয়। যেনে— সূর্য্যঃ উদেতি। ইয়াত 'উদেতি' ক্রিয়াৰ কর্ম নাই। কোনবিলাক ধাতু অকর্মক, তাৰ এটা প্রচলিত শ্লোক আছে—

'সত্তা-লজ্জা-স্থিতি জাগৰণম্।
বৃদ্ধি-ক্ষয়-ভয়-জীৱন-মৰণম্।।
নর্তন-নিদ্রা-ৰোদন-বাসাঃ।
স্পর্দ্ধা-কম্পন-মোদন-হাস্যঃ।
শয়ন-ক্রীড়া-ৰুচি-দীপ্ত্যর্থাঃ।
ধাতব এতে কর্মণি-নোক্তাঃ।।

ভূ, নম্জ্, স্থা, জাগৃ, বৃধ, ক্ষি, ভী, জীৱ্, মৃ, নৃৎ, নিদ্রা, ৰুদ্, বস্, স্পর্দ্ধ্, কম্প্, মুদ্, হস্, শী, ক্রীড়্, ৰুচ্, দীপ্ আদি ধাতুবোৰ অকর্মক। কেতিয়াবা উপসর্গ প্রয়োগ কৰি অকর্মক ধাতু সকর্মক কৰা হয়। যেনে— স বনে বসতি (অকর্মক), স বনম্ উপবসতি (সকর্মক)।

১৪.৩.৩ ভাৱবাচ্য

ভাৱবাচ্যত ক্রিয়াপদ (ভাৱ) টোৰেই প্রধান। অকর্মক ধাতুৰ পাছত ভাৱবাচ্যৰ প্রয়োগ হয়। ভাৱবাচ্যৰ কর্ত্তাত তৃতীয়া বিভক্তি হয়, কর্মপদ নাথাকে আৰু ক্রিয়াপদ, ধাতুৰূপ কৰা ধৰণে প্রয়োগ হ'লে (যেনে— গম্যতে, খাদ্যতে) সদায়ে আত্মনেপদৰ প্রথম পুৰুষৰ একবচনত প্রয়োগ হয়। আনহাতে ক্রিয়াপদ ক্ত, তব্য আদি প্রত্যয়ৰ দ্বাৰা সাধিত হ'লে, সদায়ে ক্লীৱলিঙ্গৰ প্রথমা একবচনত প্রয়োগ হয় (যেনে— গন্তব্যম্, খাদিতম্ ইত্যাদি)। উদাহৰণ—

১) শিশুনা হস্যতে
২) তৈঃ নৃত্যতে
৩) তেন ভূয়তে
৪) ত্বয়া ৰুদ্যতে
৫) ময়া গম্যতে
৬) যুষ্মাভিঃ স্থীয়তে
৭) তাভ্যাং ক্রুধ্যতে
৮) তেন গতম্
৯) যুৱকৈঃ হসিতম্
১০) অস্মাভিঃ স্থাতৱ্যম্

১৪.৩.৪ কর্মকর্তৃবাচ্য

'ক্রিয়মাণস্তু যৎকর্ম স্বয়মেব প্রসিধ্যতি।
সুকৰৈঃ স্বৈর্গুণৈকর্ত্তুঃ কর্মকর্ত্তেতি তদ্‌বিদুঃ।।'

কর্ম-কর্তৃবাচ্যত কর্মই নিজে কর্ত্তাৰ দৰে কার্য্য কৰা দেখা যায় আৰু ক্রিয়াৰ ৰূপ কর্মবাচ্যৰ দৰে হয়। এই বাচ্যত সকর্মক ক্রিয়া অকর্মকৰ দৰে ব্যৱহাৰ হয়। ইয়াত কর্মই কর্ত্তাৰ দৰে কাম কৰে, সেই কাৰণে তাক কর্মকর্ত্তা বোলে আৰু তাত প্রথমা বিভক্তি হয়। এই বাচ্যত ক্রিয়া আত্মনেপদী হয় আৰু লট্, লঙ্, লোট্, বিধিলিঙ্ত ধাতুৰ পিছত 'য়' কাৰ যোগ হয়। এই বাচ্যৰ বাক্যক ভাৱবাচ্যলৈও নিব পাৰি। উদাহৰণ—

কর্তৃবাচ্য	কর্মকর্তৃবাচ্য	ভাৱবাচ্য
গজঃ বৃক্ষং ভিনত্তি	বৃক্ষঃ (স্বয়মেব) ভিদ্যতে	বৃক্ষেণ ভিদ্যতে (স্বয়মেব)
পাচকঃ ওদনং পচতি	ওদনঃ (স্বয়মেব) পচ্যতে	ওদনেন পচ্যতে (স্বয়মেব)



জানি থোৱা ভাল

বাচ্য পৰিৱর্তন কৰিবলৈ হ'লে কর্ত্তা, কর্ম, ক্রিয়া আৰু কর্ত্তা তথা কর্মৰ বিশেষণ পদৰ পৰিৱর্তন কৰিব লাগে। বাক্যত থকা অইন পদসমূহৰ কোনো পৰিৱর্তন নহয়। যেনে—

কর্তৃবাচ্য— বনে ভ্রাম্যন্ অহং দুর্দান্তং ব্যাঘ্রম্ একং দৃষ্টবান্।
কর্মবাচ্য— বনে ভ্রাম্যতা ময়া দুর্দান্তঃ ব্যাঘ্রঃ একঃ দৃষ্টঃ।

কর্ত্তা, কর্ম পদ বিশেষ্য হোৱা হেতুকে ইয়াৰ লিঙ্গ, বিভক্তি, বচন বিশেষণ পদেও অনুসৰণ কৰে।

'বিশেষ্যস্য হি যল্লিঙ্গং বিভক্তিবচনে চ যে
তানি সর্বাপি যোজ্যানি বিশেষণপদেষ্বপি।।'



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত দিয়া বাক্যসমূহৰ বাচ্য পৰিৱর্তন কৰক ঃ

১) সঃ পঠতি
২) বালকঃ গ্রন্থং পঠতি
৩) ছাত্রাঃ পাঠং পঠন্তি
৪) ৰামঃ ওদনং খাদতি
৫) ৰামঃ তত্র তিষ্ঠতি

.....

.....

১৪.৪ কেইটামান বিশেষ নিয়ম

ক) কেনো এটা বাক্যৰ বাচ্য পৰিৱৰ্তন কৰা সময়ত প্ৰথমতে চাব লাগে সমাপিকা ক্ৰিয়াটো সকৰ্মক নে অকৰ্মক। যদি সকৰ্মক হয়, তেনেহ'লে বাক্যটো কৰ্মবাচ্যলৈ পৰিৱৰ্তন কৰিব লাগে। যদি ক্ৰিয়াটো অকৰ্মক হয়, তেনেহ'লে তাক ভাৱবাচ্যলৈ পৰিৱৰ্তন কৰিব লাগে। কৰ্ম নথকা বাক্যৰ কেতিয়াও কৰ্মবাচ্য হ'ব নোৱাৰে। কৰ্ম-কৰ্তৃবাচ্যৰ প্ৰয়োগ সাধাৰণতে দেখা নাযায়, বাক্যৰ অৰ্থৰ দ্বাৰাইহে কেতিয়াবা ইয়াৰ প্ৰয়োগ হয়।

খ) কৰ্মবাচ্য আৰু ভাৱবাচ্যত ধাতুৰূপ প্ৰয়োগ কৰি কৰা সমাপিকা ক্ৰিয়া সদায় আত্মনেপদী বিভক্তিতহে প্ৰয়োগ কৰা হয়। যেনে— তেন চন্দ্ৰো দৃশ্যতে। আনহাতে, ক্ত, তব্য আদি প্ৰত্যয়ান্ত শব্দবোৰ শব্দৰূপ কৰি প্ৰয়োগ কৰা হয়। যেনে— বালিকয়া গ্ৰন্থঃ পঠিতঃ।

গ) লট্, লোট্, লঙ্ আৰু বিধিলিঙৰ বিভক্তিত সকলো ধাতুৰ অন্তত 'য়' যোগ হয়। যেনে— পঠ্যতে, খাদ্যন্তে, ত্ৰায়্যতয়ে। কিন্তু লট্, লোট্, লঙ্ আৰু বিধিলিঙৰ বিভক্তিৰ বাহিৰে অন্য বিভক্তিৰ কৰ্মবাচ্য আৰু ভাৱবাচ্যত 'য়' কাৰ যোগ নহয়। ধাতুটোহে কেৱল আত্মনেপদত প্ৰয়োগ হয়। যেনে— ৰামচন্দ্ৰেন বনং জগ্মে। (কৰ্মবাচ্য, গম্+লিট্ এ - জগ্মে)।

ঘ) ধাতুৰ অন্তত 'য়' যোগ হোৱাৰ পিছত (কৰ্মবাচ্য আৰু ভাৱবাচ্যৰ ক্ষেত্ৰত) কিছুমান আ-কাৰান্ত ধাতু ঈ-কাৰান্ত হয়। যেনে— দা - দীয়তে (দা + য + তে), ধা-ধীয়তে, গা — গীয়তে, পা — পীয়তে (কিন্তু পা — পায়তে), মা — মীয়তে, স্থা — স্থীয়তে।

ঙ) ই-কাৰান্ত আৰু উ-কাৰান্ত ধাতুৰ যথাক্ৰমে 'ই'-ৰ ঠাইত 'ঈ' আৰু 'উ'ৰ ঠাইত 'ঊ' হয়। যেনে— চি — চীয়তে, জি — জীয়তে, শ্রু — শ্রূয়তে, স্তু — স্তূয়তে।

১) ঋ - কাৰান্ত ধাতুৰ 'ঋ' ৰ ঠাইত 'ৰি' হয়। যেনে— কৃ — ক্ৰিয়তে, মৃ— ম্ৰিয়তে। কিন্তু ব্যঞ্জন বৰ্ণৰ লগত যুক্ত হৈ থাকিলে 'ঋ'ৰ ঠাইত 'অৰ্' হয়। যেনে— স্মৃ — স্মৰ্য্যতে, ঋ — অৰ্য্যতে, জাগৃ — জাগৰ্য্যতে।

২) ঐ - কাৰান্ত ধাতুৰ 'ঐ'ৰ ঠাইত 'আ' হয়। যেনে— ধ্যৈ - ধ্যায়তে, ত্ৰৈ — ত্ৰায়েতে, কিন্তু গৈ — গীয়তে।

৩) কেইটামান ধাতুৰ কৰ্ম আৰু ভাৱ বাচ্যৰ ৰূপ ঃ
ক্ৰী — ক্ৰীয়তে, দিৱ্ — দিব্যতে, প্ৰচ্ছ্ —পৃচ্ছতে, গ্ৰহ্ — গৃহ্যতে,
যজ্ — ইজ্যতে, শী — শয্যতে, অস্ — ভূয়তে, হেব — হূয়তে
ৱদ্ — উচ্যতে, ৱচ্ (বা ব্ৰূ) — উচ্যতে, ৱস্ — উষ্যতে, ৱহ্ — উহ্যতে,
স্বপ্ — সুপ্যতে, কাৰি (কৃ+নিচ্) — কাৰ্য্যতে, দৃশ্— দৃশ্যতে, দন্শ্ — দশ্যতে

১৪.৫ দ্বিকৰ্মক ধাতুৰ বাচ্য

কিছুমান ক্ৰিয়াৰ দুটাকৈ কৰ্মপদ থাকে। এনেবোৰ ধাতু বা ক্ৰিয়াক দ্বিকৰ্মক ধাতু বোলে। সংস্কৃতত ষোলটা (১৬) ধাতুক দ্বিকৰ্মক ধাতু বোলে। সেইকেইটা হৈছে— দুহ্ (গাখীৰ খীৰোৱা), যাচ্ (ভিক্ষা কৰা), পচ্ (ৰন্ধা), দণ্ড্ (শাস্তি দিয়া), ৰুধ্ (বিৰোধী কৰা), প্ৰচ্ছ্ (প্ৰশ্ন কৰা), চি

(সংগ্রহ কৰা), ব্রূ (কোৱা), শাস্ (উপদেশ দিয়া), জি (জয় কৰা), মন্থ্ (মথন কৰা), মূষ্ (হৰণ কৰা), নী (লৈ যোৱা), হৃ (হৰণ কৰা), কৃষ্ (হালবোৱা), আৰু ৱহ্ (বহন কৰা)।

'দুহ্-যাচ্-পচ্-দণ্ড্-ৰুধি-প্রচ্ছি-চি-ব্রূ-শাস্-জি-মন্থ্-মূষাম।
কর্মবুযুক্ স্যাদকথিতং তথা স্যান্নী হৃী-কৃষ-ৱহাম্।'

এই ১৬টা ধাতুৰ যোগত বা এইকেইটা ধাতুৰ অর্থ থকা অন্য ধাতু (যেনে— কথ্, বচ্, ভাষ্, বদ্)ৰ লগত প্রয়োগ হোৱা দুটা কর্মৰ এটাক মুখ্য কর্ম আৰু আনটোক গৌণ কর্ম বোলে। ক্রিয়াটো শুনামাত্রকে যিটো কর্ম শ্রোতাৰ পোন প্রথমতে প্রধানভাৱে মনত পৰে, সেইটোৱেই মুখ্য কর্ম আৰু আনটো হৈছে গৌণ কর্ম অথবা অপ্রধান কর্ম। মুখ্য কর্মত সদায় দ্বিতীয়া বিভক্তি হয়, কিন্তু গৌণ কর্মটোত অর্থ অনুসৰি অপাদান অর্থত পঞ্চমী বিভক্তি অথবা অন্যান্য বিভক্তিয়ো প্রয়োগ হ'ব পাৰে। যেনে— সঃ বৃক্ষং (বৃক্ষাৎ) পুষ্পং চিনোতি। ইয়াত 'পুষ্পং' মুখ্য কর্ম আৰু 'বৃক্ষং' গৌণ কর্ম।

কর্মবাচ্যলৈ পৰিৱর্তন কৰিবলৈ হ'লে ওপৰত উল্লেখ কৰা ধাতুবোৰৰ শেষৰ চাৰিটাৰ (নী, হৃ, কৃষ্ আৰু ৱহ্) বাহিৰে বাকী কেইটাৰ গৌণ কর্মতহে প্রথমা বিভক্তি হয়। মুখ্য কর্মৰ কোনো পৰিৱর্তন নহয়। এই চাৰিটা ধাতুৰ মুখ্য কর্মতহে প্রথমা বিভক্তি হয়। গৌণ কর্মৰ কোনো পৰিৱর্তন নহয়। (গৌণে কর্মণি দুহ্যাদেঃ, প্রধানে নীহৃকৃষ্ বহাম্)

দ্বিকর্মক ধাতুৰ বাক্যৰ বাচ্য পৰিৱর্তনৰ কেইটামান উদাহৰণ—

ধাতু	কর্তৃবাচ্য	কর্মবাচ্য
দুহ্ —	গোপঃ ধেনুং পয়ো দোগ্ধি।	গোপেন ধেনুঃ পয়ো দুহ্যতে।
যাচ্ —	বামনো বলিং বসুধাং যাচতে।	বামনেন বলির্বসুধাং যাচ্যতে।
চি —	বালিকাঃ বৃক্ষান্ পুষ্পানি চিন্বন্তি	বালিকাভিঃ বৃক্ষাঃ পুষ্পানি চীয়ন্তে
ব্রূ —	তপস্বী শিষ্যং ধর্মং ব্রূতে।	তপস্বিনা শিষ্যো ধর্মং উচ্যতে
পচ্ —	পাচকঃ তণ্ডুলান্ ওদনং পচতি	পাচকেন তণ্ডুলাঃ ওদনং পচ্যন্তে
দণ্ড্ —	ৰাজা চৌৰং শতং দণ্ডয়তি	ৰাজ্ঞা চৌৰঃ শতং দণ্ড্যতে
ৰুধ্ —	স চৌৰঃ কাৰাগাৰং ৰুণদ্ধি	তেন চৌৰং কাৰাগাৰঃ ৰুন্ধ্যতে
প্রচ্ছ্ —	শিষ্যঃ গুৰুং শাস্ত্রং পৃচ্ছতি	শিষ্যেণ গুৰুঃ শাস্ত্রং পৃচ্ছ্যতে
নী —	স গ্রামং গ্রাং নয়তি	তেন গ্রামং গৌঃ নীয়তে
হৃ —	বৃদ্ধঃ গ্রামং ভাৰং হৰতি	বৃদ্ধেন গ্রামং ভাৰঃ হ্রিয়তে
বহ্ —	বালকঃ খঞ্জং গৃহং ৱহতি	বালকেন খঞ্জো গৃহম্ উহ্যতে
কৃষ্ —	সা বৃক্ষং শাখাং কর্ষতি	তয়া বৃক্ষং শাখা কৃষ্যতে
শাস্ —	গুৰুঃ শিষ্যং ধর্মং শাস্তি	গুৰুণা শিষ্যঃ ধর্মং শিষ্যতে
জি —	স দ্যূতকাৰং শতং জয়তি	তেন দ্যূতকাৰঃ শতং জীয়তে
মন্থ্ —	দেৱাঃ সমুদ্রং অমৃতং মমন্থুঃ	দেৱৈঃ সমুদ্রঃ অমৃতং মমন্থে
মুষ্ —	চৌৰঃ মাং শতং মুষ্ণাতি	চৌৰেণ অহং শতং মুষ্যে

ইয়াৰে দুহ্ 'ধাতুৰ পৰা 'মুষ্' ধাতু ব্যৱহাৰ হোৱা বাক্যবোৰত কর্মবাচ্যত অপ্রধান কর্মকেইটাত প্রথমা বিভক্তি হৈছে। 'নী' ধাতুৰ পৰা 'কৃষ্' ধাতুলৈ ব্যৱহাৰ হোৱা বাক্যসমূহৰ কর্মবাচ্যত প্রধান কর্মকেইটাত প্রথমা বিভক্তি হৈছে।

১৪.৬ কেইটামান প্রচলিত ধাতুৰ কর্মবাচ্য আৰু ভাৱবাচ্যত সংক্ষিপ্ত ৰূপ

(প্রথম পুৰুষৰ একবচন)

ধাতু	লট্	লুট্	লিট্
অশ্ (to pervade)	অশ্যতে	অক্ষ্যতে, অশিষ্যতে	আনশে
অস্, ভূ (to be)	ভূয়তে	ভৰিষ্যতে, ভাৰিষ্যতে	বভূবে
আপ্ (to obtain, to pervade)	আপ্যতে	আপ্স্যতে	আপে
আস্ (to sit)	আস্যতে	আসিষ্যতে	আষাঞ্চক্রে, আসামাসে
ই (to go)	ঈয়তে	এষ্যতে	ঈয়ে
অধি-ই (to read)	অধীয়তে	অধ্যেষ্যতে	অধিজগে
কৃ (to do)	ক্রিয়তে	কৰিষ্যতে, কাৰিষ্যতে	চক্রে
গম্ (to go)	গম্যতে	গংস্যতে	জগ্মে
গৈ (to sing)	গীয়তে	গাস্যতে, গায়িস্যতে	জগে
গ্রহ্ (to take)	গৃহ্যতে	গ্রহীষ্যতে, গ্রাহিষ্যতে	জগৃহে
চি (to callect)	চীয়তে	চায়িষ্যতে, চেষ্যতে	চিক্যে, চিচ্যে
জি (to conquen)	জীয়তে	জেষ্যতে, জায়িষ্যতে	জিগ্যে
জ্ঞা (to know)	জ্ঞায়তে	জ্ঞায়িষ্যতে, জ্ঞাস্যতে	জজ্ঞে
দা (to give)	দীয়তে	দাস্যতে, দায়িষ্যতে	দদে
দৃশ্ (to sec)	দৃশ্যতে	দ্রক্ষ্যতে, দর্শিষ্যতে	দদৃশে
নী (to lead)	নীয়তে	নেষ্যতে, নায়িষ্যতে	নিন্যে
পচ্ (to cook)	পচ্যতে	পক্ষ্যতে	পেচে
পঠ্ (to read)	পঠ্যতে	পঠিষ্যতে	পেঠে
পা (to drink)	পীয়তে	পাস্যতে, পায়িষ্যতে	পপে
পা (to protect)	পায়তে	পাস্যতে, পায়িষ্যতে	পপে
পাল (to protect)	পাল্যতে	পালয়িষ্যতে	পালয়াচক্রে, পালয়ামাসে
বচ্ (to say)	উচ্যতে	বক্ষ্যতে	উচে
বদ্ (to say)	উদ্যতে	বদিষ্যতে	উদে
বহ্ (to carry)	উহ্যতে	বক্ষ্যতে	উহে
বিদ্ (to exist)	বিদ্যতে	বেৎস্যতে	বিবিদে

বৃত্ (to exist)	বৃত্যতে	বর্ত্তিষ্যতে	ববৃতে
ব্রূ (to say)	উচ্যতে	বক্ষ্যতে	উচে
যজ্ (to sacrifice)	ইজ্যতে	যক্ষ্যতে	ঈজে
যাচ্ (to beg)	যাচ্যতে	যাচিষ্যতে	যযাচে
লভ্ (to get)	লভ্যতে	লপ্স্যতে	লেভে
শক্ (to be able)	শক্যতে	শক্ষ্যতে	শেকে
লিখ্ (to write)	লিখ্যতে	লেখিষ্যতে	লিলিখে
শ্রু (to hear)	শ্রূয়তে	শ্রোষ্যতে/শ্রাবিষ্যতে	শুশ্রুবে
সেব্ (to serve)	সেব্যতে	সেৰিষ্যতে	সিষেবে
হন্ (to kill)	হন্যতে	ঘানিষ্যতে/হনিষ্যতে	জঘ্নে
হৃ (to steal)	হ্রিয়তে	হাৰিষ্যতে	জহ্রে



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ তলত দিয়া ধাতুসমূহৰ কর্মবাচ্যত লট্ বিভক্তিৰ প্রথম পুৰুষ একবচনৰ ৰূপবোৰ লিখক—

১) ভূ, ২) নী ৩) পঠ্

৪) ব্রূ ৫) হন্

.....

.....

১৪.৭ বাচ্যত প্রত্যয়ৰ ব্যৱহাৰ

বাক্য এটাত ক্রিয়াপদ সাধাৰণতে লকাৰ প্রত্যয় (তি, তস্, অন্তি আদি) অথবা কৃৎ প্রত্যয় (তব্য, অনীয়, ক্ত ইত্যাদি) প্রয়োগ কৰি ব্যৱহাৰ কৰা হয়।

ক) **কর্তৃবাচ্যৰ** বাক্যৰ ক্রিয়াত লকাৰ প্রত্যয়সমূহ প্রয়োগ কৰাৰ সময়ত ধাতুৰ পিছত বাক্যটোৰ কর্ত্তাৰ পুৰুষ তথা বচন অনুসৰি প্রত্যয়বোৰ প্রয়োগ কৰা হয়। যেনে— ৰামঃ গ্রন্থং পঠতি, বাক্যটোৰ 'ৰামঃ' কর্ত্তাপদ, 'গ্রন্থং' কর্মপদ তথা 'পঠতি' লকাৰ প্রত্যয়যুক্ত ক্রিয়াপদ। ইয়াত 'ৰামঃ' কর্ত্তাপদটোত প্রথম পুৰুষ একবচন থকা কাৰণে 'পঠতি' ক্রিয়াপদটোত প্রথম পুৰুষ একবচনত প্রয়োগ হৈছে।

আনহাতে, কৃৎ প্রত্যয় প্রয়োগ কৰি কর্তৃবাচ্যত যেতিয়া ক্রিয়া তৈয়াৰ কৰা হয়, তেতিয়া বাক্যটোত থকা কর্ত্তাৰ লিঙ্গ, বিভক্তি তথা বচন অনুসৰি ক্রিয়াপদটোও সেই সেই লিংগ, বিভক্তি আৰু বচন প্রয়োগ কৰা হয়।

i) ৰামঃ বনং গত ঃ — কৰ্ত্তা 'ৰাম', পুংলিঙ্গ — প্ৰথমা একবচনত প্ৰয়োগ হৈছে, 'ক্ত' প্ৰত্যয়ান্ত ক্ৰিয়া 'গতঃ' পুংলিঙ্গ প্ৰথমা একবচনত প্ৰয়োগ হৈছে।

ii) সীতা বনং গতা — কৰ্ত্তা 'সীতা' স্ত্ৰীলিঙ্গ — প্ৰথমা একবচনত প্ৰয়োগ হৈছে, 'ক্ত' প্ৰত্যয়ান্ত ক্ৰিয়া 'গতা' স্ত্ৰীলিঙ্গ — প্ৰথম একবচনত প্ৰয়োগ হৈছে।

iii) ৰামঃ বনং গতবান্ — (গতবান্ ক্তবতু প্ৰত্যয়ান্ত শব্দ)

iv) সীতা বনং গতৱতী

খ) **কৰ্মবাচ্যৰ** বাক্যত ক্ৰিয়া কৰ্মপদ অনুসৰি প্ৰয়োগ কৰা হয়। ইয়াত মূল ধাতুৰ পিছত 'য়' কাৰ যোগ হয় তথা আত্মনেপদী হৈ লকাৰ প্ৰত্যয়সমূহ যোগ হয়। কৰ্মটোত যি পুৰুষ আৰু বচন থাকে লকাৰ প্ৰত্যয়বোৰো সেই সেই পুৰুষ আৰু বচনত ব্যৱহাৰ কৰা হয়। যেনে— ৰামেণ গ্ৰন্থঃ পঠ্যতে। ইয়াত 'ৰাম' কৰ্ত্তা, সেয়েহে তৃতীয়া বিভক্তি প্ৰয়োগ হৈ 'ৰামেণ' হৈছে। কৰ্মপদ 'গ্ৰন্থ', সেয়েহে ইয়াত প্ৰথমা বিভক্তি হৈ 'গ্ৰন্থঃ' হৈছে, তথা ক্ৰিয়াপদ 'পঠ্যতে' কৰ্মপদ 'গ্ৰন্থঃ'ৰ পুৰুষ-বচন অনুসৰি প্ৰথম পুৰুষ একবচনত আত্মনেপদী হৈ প্ৰয়োগ হৈছে।

আনহাতে, কৃৎ প্ৰত্যয় প্ৰয়োগ কৰি কৰ্মবাচ্যত যেতিয়া ক্ৰিয়া ব্যৱহাৰ কৰা হয়। তেতিয়া বাক্যটোত থকা কৰ্মপদৰ লিঙ্গ, বিভক্তি তথা বচন অনুসৰি প্ৰয়োগ কৰা হয়। যেনে—

১) ৰামেণ পত্ৰং লিখিতম্ — কৰ্ম প্ৰত্ৰম্' ক্লীৱলিঙ্গ — প্ৰথমা-একবচন প্ৰয়োগ হৈছে, 'ক্ত' প্ৰত্যয়ান্ত ক্ৰিয়া 'লিখিতঃ'— ক্লীৱলিঙ্গ — প্ৰথমা-একবচনত প্ৰয়োগ হৈছে।

২) ৰামেণ পত্ৰাণি লিখিতানি

৩) ছাত্ৰৈঃ গ্ৰন্থৌ পঠিতৌ

৪) ছাত্ৰৈঃ গ্ৰন্থাঃ পঠিতাঃ

৫) ময়া আম্ৰাণি খাদনীয়ানি

৬) ত্বয়া চলচিত্ৰং দ্ৰষ্টব্যম্

৭) অস্মাভিঃ নিধনেভ্যঃ ধনং দেয়ম্

৮) যুৱাভ্যাং বস্ত্ৰাণি দেয়ানি

৯) তেন ইদং উক্তম্

১০) ময়া আম্ৰাণি খাদিতব্যানি

গ) **ভাৱবাচ্যৰ** বাক্যৰ যিহেতু কৰ্মপদ নাথাকে, সেয়েহে কৰ্ত্তাত তৃতীয়া বিভক্তি তথা ক্ৰিয়াপদ লকাৰ প্ৰত্যয়ান্ত হ'লে আত্মনেপদত সদায় প্ৰথম পুৰুষৰ একবচনত ব্যৱহৃত হয়। যেনে— ৰামেণ হস্যতে। ইয়াত 'ৰাম' পদ কৰ্ত্তা আৰু তাত তৃতীয়া বিভক্তি হিচাপে 'ৰামেণ' হৈছে। 'হস্যতে' ক্ৰিয়াপদ, গতিকে ইয়াত আত্মনেপদত প্ৰথম পুৰুষৰ একবচন প্ৰয়োগ হৈছে।

আনহাতে, কৃৎ প্ৰত্যয়ান্ত ক্ৰিয়াপদ সদায়ে ক্লীৱলিঙ্গৰ প্ৰথমা বিভক্তিৰ একবচনত প্ৰয়োগ হয়। যেনে— ৰামেণ হসিতম্। ইয়াত 'ক্ত' প্ৰত্যয়ান্ত 'হসিতম্' ক্ৰিয়াপদটোত ক্লীৱলিঙ্গৰ প্ৰথমা বিভক্তিৰ একবচন প্ৰয়োগ হৈছে।

সংক্ষিপ্ত বাচ্যবিধি

১) কর্তৃবাচ্য — ক) কর্ত্তা — প্রথমা বিভক্তি

খ) কর্ম — দ্বিতীয়া বিভক্তি

গ) ক্রিয়া — কর্ত্তা অনুসৰি

১) লকাৰ প্রত্যয়— কর্ত্তাৰ পুৰুষ আৰু বচন অনুসৰি

২) কৃৎ প্রত্যয় — কর্ত্তাৰ লিঙ্গ, বিভক্তি আৰু বচন অনুসৰি

১) ক্রিয়াপদ (ধাতুৰূপ) — মূলধাতু + লকাৰ + লকাৰ প্রত্যয়

২) ক্রিয়াপদ — মূলধাতু + কৃৎপ্রত্যয় + লিঙ্গ বিভক্তি-বচন

২) কর্মবাচ্য — ক) কর্ত্তা — তৃতীয়া বিভক্তি

খ) কর্ম — প্রথমা বিভক্তি

গ) ক্রিয়াপদ — কর্ম অনুসৰি (আত্মনেপদত + য্ আগম হয়)

১) লকাৰ প্রত্যয়— কর্মৰ পুৰুষ আৰু বচন অনুসৰি

২) কৃৎ প্রত্যয় — কর্মৰ লিঙ্গ, বিভক্তি আৰু বচন অনুসৰি

১) ক্রিয়াপদ (ধাতুৰূপ)— মূলধাতু +য্ +লকাৰ+লকাৰ প্রত্যয় (আত্মনেপদী)

২) ক্রিয়াপদ— মূলধাতু + কৃৎপ্রত্যয় + লিঙ্গ বিভক্তি-বচন

৩) ভাৱবাচ্য —ক) কর্ত্তা — তৃতীয়া বিভক্তি

খ) কর্ম — নাই

গ) ক্রিয়াপদ —

১) লকাৰ প্রত্যয়— প্রথম পুৰুষ - একবচন

(আত্মনেপদী + য্ আগম)

২) কৃৎ প্রত্যয় — ক্লীৱলিঙ্গ — প্রথমা বিভক্তি - একবচন

১) ক্রিয়াপদ (ধাতুৰূপ) — মূলধাতু + য্ + লকাৰ — লকাৰ (আত্মনেপদী)

২) ক্রিয়াপদ — মূলধাতু + কৃৎপ্রত্যয় + ক্লীৱলিঙ্গ - প্রথমা বিভক্তি-একবচন

বাচ্যত ব্যৱহাৰ হোৱা কৃৎ প্রত্যয়ৰ বিৱৰণ ঃ এতিয়া কেইটামান প্রধান কৃৎপ্রত্যয়ৰ বিষয়ে আলোচনা কৰা হ'ব, যিবোৰ কর্তৃবাচ্য, কর্মবাচ্য অথবা ভাৱবাচ্যত প্রয়োগ হয়।

ক) তব্য → কৰিবলগীয়া বা কৰা উচিত, এই অর্থত ভাৱবাচ্যত আৰু কর্মবাচ্যত, ধাতুত তব্য প্রত্যয় প্রয়োগ হয়। উদাহৰণ— দা → দাতব্য, শ্রু → শ্রোতব্য, ভূ → ভৰিতব্য, কৃ → কর্তব্য; গম্ → গন্তব্য আদি।

খ) অনীয় → উচিত অর্থত ভাৱবাচ্য আৰু কর্মবাচ্যত, ধাতুত অনীয় প্রত্যয় হয়। যেনে— পা → পানীয়; শ্রু → শ্রৱণীয়, কৃ → কৰণীয়; স্মৃ → স্মৰণীয়; ৰম্ → ৰমণীয়, দৃশ্ → দর্শনীয়; ৰক্ষ্ → ৰক্ষণীয় আদি।

গ) যৎ → উচিত অর্থতে ভাৱবাচ্য আৰু কর্মবাচ্যত স্ৱৰান্ত ধাতুত যৎ প্রত্যয় হয়। যেনে— জি → জেয়; নী → নেয়; শ্রু → শ্রব্য; ভূ → ভব্য; দা → দেয়; গা → গেয়; গম্ → গম্য; নম্ → নম্য আদি।

ঘ) ণ্যৎ→ উচিত অর্থত, ভাৱবাচ্য আৰু কর্মবাচ্যত, ঋকাৰান্ত তথা ব্যঞ্জনান্ত ধাতুত ণ্যৎ প্রত্যয় হয়। যেনে— কৃ →কার্য্য, ধৃ →ধার্য্য, হৃ→ হার্য্য, আ + ৰুজ্ →আৰোগ্য আদি।

ঙ) ক্যপ্ → উচিত অর্থত ভাৱবাচ্য আৰু কর্মবাচ্যত কৃ, ভূ , স্তু, শ্বাস্ আদি ধাতুত ক্যপ্ প্রত্যয় হয়। যেনে— কৃ → কৃত্য, তৃ → ভৃত্য, স্তু → স্তুত্য।

চ) শতৃ → কৰি বা হৈ আছে, এই অর্থত বর্তমান কালৰ কর্তৃবাচ্যত পৰস্মৈপদী ধাতুত শতৃ প্রত্যয় হয়। যেনে— চল্ → চলৎ, ৰুদ্ → ৰুদৎ, ভূ → ভৱৎ।

ছ) শানচ্ → হৈ আছে, এই অর্থত বর্তমান কালত কর্তৃবাচ্যৰ আত্মনেপদী ধাতুৰ পিছত শানচ্ হয়। যেনে— বৃত্ → বর্তমান, বৃধ্ → বর্দ্ধমান, মৃ → ম্রিয়মান। কর্মবাচ্যতো শানচ্ প্রয়োগ হয়। যেনে— কৃ - ক্রিয়মান, বচ্ - উচ্যমান।

জ) স্যতৃ → ভৱিষ্যৎ কালত পৰস্মৈপদী ধাতুৰ পিছত কর্তৃবাচ্যত স্যতৃ হয়। যেনে— ভূ → ভৱিষ্যৎ, গম্ → গমিষ্যৎ, হন্ → হনিষ্যৎ।

ঝ) স্যমান → ভৱিষ্যৎকালত আত্মনেপদী ধাতুৰ পিছত কর্তৃবাচ্যত স্যমান হয়। যেনে— বচ্ → বক্ষ্যমান, সেৱ → সেবিষ্যমান, জন্ → জনিষ্যমাণ।

ঞ) ক্ত → সাধাৰণতে অতীত কালত কর্মবাচ্য আৰু ভাৱবাচ্যত ক্ত প্রত্যয় হয়। সকর্মক ধাতুৰ পিছত কর্মবাচ্যত প্রয়োগ হোৱা ক্ত প্রত্যয় নিস্পন্ন শব্দ কর্মটোৰ বিশেষণ হয় আৰু কর্মৰ লিঙ্গ, বিভক্তি তথা বচন প্রাপ্ত হয়। যেনে— কুম্ভকাৰেণ ঘটঃ কৃতঃ /ঘটৌ কৃতৌ/ঘটাঃ কৃতাঃ। অকর্মক ধাতুৰ পিছত কর্তৃবাচ্যত ক্ত প্রয়োগ হয় আৰু ই কর্ত্তাৰ বিশেষণ হয়। যেনে— স জাগৰিতঃ, সা ভীতা। গমনার্থক ধাতুৰ পিছত কর্তৃবাচ্যত ক্ত হয়। যেনে— স গ্রামং গতঃ, স গৃহং প্রস্থিতঃ। শী, স্থা আদি অকর্মক ধাতুসমূহ উপসর্গযোগে সকর্মক হ'লেও এইবোৰৰ পিছত কর্তৃবাচ্যত ক্ত প্রত্যয় হয়। যেনে— স গৃহম্ অধিশয়িতঃ, বানৰো বৃক্ষম্ আৰূঢ়ঃ।

অকর্মক আৰু অবিবক্ষিতকর্মক ধাতুৰ পিছত ভাৱবাচ্যত ক্ত প্রত্যয় হয়। ভাৱবাচ্যত ক্ত নিস্পন্ন শব্দ যেতিয়া সমাপিকা ক্রিয়াৰ দৰে ব্যৱহৃত হয়, তেতিয়া সদায়েইক্লীৱলিঙ্গৰ প্রথমা বিভক্তিত একবচনান্ত হয়। যেনে— তেন কৃতম্, তৈঃ কৃতম্, যুষ্মাভিঃ কৃতম্। আৰু যেতিয়া বিশেষ্য পদৰ দৰে ব্যৱহৃত হয়, তেতিয়া সেইবোৰৰ ৰূপ অ-কাৰান্ত ক্লীৱলিঙ্গ শব্দৰ দৰে হয়। যেনে— গতম্, গতে, গতানি। কৃতম্, কৃতে, কৃতানি।

ট) ক্তৱতু → অতীতকালত কতৃবাচ্যত ক্তৱতু প্রত্যয় ব্যৱহাৰ কৰা হয়। এইবোৰ শব্দ কর্ত্তাৰ বিশেষণ হয় আৰু কর্ত্তাৰ লিঙ্গ, বিভক্তি আৰু বচনপ্রাপ্ত হয়। যেনে — (১) স পুস্তকং পঠিতবান্, (২) তৌ পুস্তকং পঠিতবন্তৌ, (৩) তে পুস্তকং পঠিতবন্তঃ।

ঠ) ক্তিন্ → ভাৱবাচ্যত ধাতুৰ পিছত ক্তিন্ প্রত্যয় হয়। ক্তিন (তি) প্রত্যয়ান্ত শব্দ স্ত্রীলিঙ্গ হয়। যেনে— গৈ → গীতিঃ, স্থা → স্থিতিঃ, ভী → ভীতিঃ।

ড) পক্→ কতৃবাচ্যৰ ধাতুৰ পিছত পক্ (অক) প্রত্যয় প্রয়োগ হয়। যেনে— নী → নায়কঃ, শ্রু → শ্রাৱকঃ, পচ্ → পাচকঃ।

ঢ) তৃন্ (তৃচ্) → ধাতুৰ পিছত কর্তৃবাচ্যত তৃন্ (তৃ) প্রত্যয় হয়। যেনে— কৃ + তৃন্ = কর্তৃ (প্রথমা একবচন - কর্ত্তা); দা → দাতা, বিদ্ - বেত্তা, ধ + ধাতা; বচ্ → বক্তা, শ্রু → শ্রোতা; ত্রৈ → ত্রাতা।

ণ) অনট্ (ল্যুট্) → ভাৱবাচ্যৰ ধাতুত অনট্ (অন) প্রত্যয় হয়। এই অনট্ প্রত্যয়ান্ত শব্দ ক্লীৱলিঙ্গৰ হয়। যেনে— গম্ → গমনম্; ভূজ্ → ভোজনম্; পত্ → পতনম্; শী → শয়নম্; গর্জ → গর্জনম; স্না → স্নানম্; কৃ → কৰণম্।

ত) ঘঞ্ → ভাৱবাচ্যৰ অর্থত, ভাৱবাচ্য আৰু কর্তৃবাচ্যৰ বাহিৰে আন কাৰকবাচ্যৰ ধাতুৰ পিছত ঘঞ্ (অ) প্রত্যয় হয়। যেনে—
(কর্মবাচ্যৰ অর্থত) → প্রকর্ষেণ ক্রিয়তে যঃ সঃ — প্রকাৰঃ (প্র + কৃ + ঘঞ্)
(কৰণ অর্থত) → পদ্যতে (গম্যতে) অনেন ইতি — পদেঃ (পদ্ +ঘঞ)

১৪.৮ বাচ্য পৰিৱর্তন

কর্মৰ প্রভেদ, প্রথম পুৰুষৰ (তিঙন্ত ক্রিয়া)

কর্তৃবাচ্য	কর্মবাচ্য
১) কুম্ভকাৰঃ ঘটং কৰোতি	কুম্ভকাৰেণ ঘটঃ ক্রিয়তে
২) কুম্ভকাৰঃ ঘটৌ কৰোতি	কুম্ভকাৰেণ ঘটৌ ক্রিয়েতে
৩) কুম্ভকাৰঃ ঘটান্ কৰোতি	কুম্ভকাৰেণ ঘটাঃ ক্রিয়ন্তে

কর্মৰ প্রভেদ, মধ্যম পুৰুষৰ (তিঙন্ত ক্রিয়া)

৪) গুৰুঃ ত্বাং নিন্দতি	গুৰুণা ত্বং নিন্দ্যসে
৫) গুৰুঃ যুৱাং নিন্দতি	গুৰুণা যুৱাং নিন্দ্যথে
৬) গুৰুঃ যুষ্মান্ নিন্দতি	গুৰুণা যূয়ং নিন্দ্যধ্বে

কর্মৰ প্রভেদ, উত্তম পুৰুষৰ (তিঙন্ত ক্রিয়া)

৭) পিতা মাং পশ্যতি	পিত্রা অহং দৃশ্যে
৮) পিতা আবাং পশ্যতি	পিত্রা আবাং দৃশ্যাৱহে
৯) পিতা অস্মান্ পশ্যতি	পিত্রা বয়ম্ দৃশ্যামহে

পুংলিঙ্গ কর্মৰ প্রভেদ (কৃদন্ত ক্রিয়া)

১০) ৰামঃ ৰাক্ষসং হতবান্ (ক্তৱতু প্রত্যয়) ৰামেণ ৰাক্ষসঃ হতঃ (ক্ত প্রত্যয়) (* কর্তৃবাচ্যত ক্তৱতু প্রত্যয় আৰু কর্মবাচ্যত ক্ত প্রত্যয় হয়)	
১১) ৰামঃ ৰাক্ষসৌ হতবান্	ৰামেণ ৰাক্ষসৌ হতৌ
১২) ৰামঃ ৰাক্ষসান্ হতবান্	ৰামেণ ৰাক্ষসাঃ হতাঃ

স্ত্রীলিঙ্গ কর্মৰ প্রভেদ (কৃদন্ত ক্রিয়াৰ)

১৩) বালিকা নদীং দৃষ্টৱতী	বালিকয়া নদী দৃষ্টা
১৪) বালিকে নদ্যৌ দৃষ্টবত্যৌ	বালিকাভ্যাম্ নদ্যৌ দৃষ্টে
১৫) বালিকাঃ নদীঃ দৃষ্টৱত্যঃ	বালিকাভিঃ নদ্যঃ দৃষ্টাঃ

ক্লীৱলিঙ্গ কর্মৰ প্রভেদ (কৃদন্ত ক্রিয়া)

১৬) মম মিত্রং ফলং লব্ধৱৎ	মম মিত্রেণ ফলং লব্ধম্
১৭) মম মিত্রে ফলে লব্ধৱতী	মম মিত্রাভ্যাম্ ফলে লব্ধে
১৮) মম মিত্রাণি ফলানি লব্ধৱন্তী	মম মিত্রৈঃ ফলানি লব্ধানি

অন্যান্য উদাহৰণ (কর্তৃবাচ্যৰ পৰা কর্মবাচ্যলৈ)

	ধাতু	কর্তৃবাচ্য	কর্মবাচ্য
১)	পঠ্	সঃ পুস্তকং পঠতি	তেন পুস্তকং পঠ্যতে
২)	পঠ্	তে গ্রন্থং পঠন্তি	তৈঃ গ্রন্থঃ পঠ্যতে
৩)	দৃশ্	ৰামঃ বানৰান্ পশ্যতি	ৰামেণ বানৰাঃ দৃশ্যন্তে
৪)	যাচ্	বামনঃ বলিং বসুধাং যাচতে	বামনেন বলিঃ বসুধাম্ যাচ্যতে
৫)	দৃশ্	অহং ত্বম্ পশ্যামি	ময়া ত্বম্ দৃশ্যসে
৬)	কৃ	সঃ কার্য্যং কৰোতি	তেন কার্য্যং ক্রিয়তে
৭)	লিখ্	তৌ লেখং লিখতঃ	তাভ্যাং লেখঃ লিখ্যতে
৮)	বপ্	কৃষকঃ বীজান্ বপতি	কৃষকেণ বীজাঃ বপ্যন্তে
৯)	পচ্	সূদঃ তণ্ডুলান্ ওদনং পচতি	সূদেন তণ্ডুলাঃ ওদনং পচ্যন্তে
১০)	খন্	কুম্ভকাৰঃ ভূমিং খনতি	কুম্ভকাৰেণ ভূমিঃ খন্যতে
১১)	দৃশ্	ৰামঃ তং পশ্যতি	ৰামেণ সঃ দৃশ্যতে
১২)	দৃশ্	সঃ ত্বাং পশ্যতি	তেন ত্বং দৃশ্যসে
১৩)	দৃশ্	অহং ৰামং পশ্যামি	ময়া ৰামঃ দৃশ্যতে
১৪)	লিখ্	ত্বং লেখং লিখসি	ত্বয়া লেখঃ লিখ্যতে
১৫)	শ্রু	অহং কথাং শৃণোমি	ময়া কথা শ্রূয়তে
১৬)	বদ্	ভৰন্তঃ শ্লোকান্ বদন্তি	ভৰদ্ভিঃ শ্লোকাঃ উচ্যন্তে
১৭)	কথ্	তে বার্তাং কথয়ন্তি	তৈঃ বার্তা কথ্যতে
১৮)	কৃ	কৱয়ঃ কবিতাং কুর্বন্তি	কৱিভিঃ কবিতা ক্রিয়তে
১৯)	দা	স বিপ্রায় গাং দদাতি	তেন বিপ্রায় গৌ দীয়তে
২০)	পা	বালঃ পয়ঃ পিবতি	বালেন পয়ঃ পীয়তে
২১)	ভুজ্	অয়ম্ ওদনং ভুঙ্‌ক্তে	অনেন ওদনং ভুজ্যতে
২২)	হন্	বীৰঃ শত্রুং হন্তি	বীৰেণ শত্রুঃ হন্যতে

২৩)	বদ্	বয়ম্ অনৃতং ন বদামঃ	অস্মাভিঃ অনৃতং ন উদ্যতে
২৪)	গ্রহ্	যুবাং পুস্তকং গৃহ্ণাতি	যূনা পুস্তকং গৃহ্যতে
২৫)	প্র-হৃ	ৰাজপুৰুষাঃ চৌৰং প্রহৰন্তি	ৰাজপুৰুষৈঃ চৌৰঃ প্রহ্রিয়তে
২৬)	জ্ঞা	বালিকা ইমং বিষয়ং ন জানাতি	বালিকয়া অয়ং বিষয়ঃ ন জ্ঞায়তে
২৭)	(কৃদন্ত)	তাবৎ তৌ ৰিক্তং ভাণ্ডং দৃষ্টবন্তৌ	তাবৎ তাভ্যাং ৰিক্তঃ ভাণ্ডঃ দৃষ্টঃ
২৮)	(কৃদন্ত)	ৰুদতী বালিকা ৰম্যম্ উদ্যানং গতবতী	ৰুদত্যা বালিকয়া ৰম্যম্ উদ্যানং গতম্
২৯)	(কৃদন্ত)	ভো কান্ত, ত্বম্ আনীতবান্ ভোজনম্	ভো কান্ত, ত্বয়া আনীতং ভোজনম্
৩০)	(কৃদন্ত)	বনে ভ্রাম্যন্ অহং ব্যাঘ্রমেকং দৃষ্টবান্	বনে ভ্রাম্যতা ময়া ব্যাঘ্রঃ একঃ দৃষ্টঃ।

উদাহৰণ (কর্তৃবাচ্যৰ পৰা ভাৰ্ৱবাচ্যলৈ)

	ধাতু	কর্তৃবাচ্য	কর্মবাচ্য
১)	নৃত্	ময়ুৰাঃ নৃত্যন্তি	ময়ূৰৈঃ নৃত্যতে
২)	জীব্	বয়ং অন্নেন জীবামঃ	অস্মাভিঃ অন্নেন জীব্যতে
৩)	বস্	ত্বম্ তত্র বসতি	ত্বয়া অত্র উষ্যতে
৪)	স্বপ্	সঃ গৃহে স্বপিতি	তেন গৃহে সুপ্যতে
৫)	স্থা	তে তত্র তিষ্ঠন্তি	তৈঃ তত্র স্থীয়তে
৬)	ৰুচ্	মহ্যং মোদকং ৰোচতে	মহ্যং মোদকেন ৰুচ্যতে
৭)	ভী	ত্বং সর্পাৎ বিভেষি	ত্বয়া সর্পাৎ ভীয়তে
৮)	শীঙ্	ভৰান্ কুত্র শেতে?	ভৰতা কুত্র শয্যতে?
৯)	খেল্	ছাত্রা খেলন্তি	ছাত্রৈঃ খেল্যতে
১০)	দ্যুৎ	ৰাত্রৌ চন্দ্রঃ দ্যোততে	ৰাত্রৌ চন্দ্রেণ দ্যোত্যতে
১১)	জাগৃ	বিবেকী সদা জাগর্ত্তি	বিবেকিনা সদা জাগর্য্যতে
১২)	ভূ	ত্বং ৰাজা ভৰিষ্যসি	ত্বয়া ৰাজ্ঞা ভৰিষ্যতে
১৩)	বৃত্	অথ ক্ব বর্ততে ভগবান্ স্বামী চন্দ্র	অথ ক্ব বর্ত্যতে ভগৰতা স্বামিনা চন্দ্রেন।

১৪.৯ প্রচলিত ধাতুৰ কর্মবাচ্য/ভাৰবাচ্যৰ বিস্তৃত ৰূপ

এইখিনিতে তলত কেইটামান প্রচলিত ধাতুৰ কর্মবাচ্য তথা ভাৰবাচ্যৰ লট্ লকাৰত ৰূপসমূহ দিয়া হ'ল—

লট্ লকাৰ

১) ধাতু— পঠ্ (কর্তৃবাচ্যত - পঠতি)

পুৰুষ	একবচন	দ্বিবচন	বহুবচন
প্রথম	পঠ্যতে	পঠ্যেতে	পঠ্যন্তে
মধ্যম	পঠ্যসে	পঠ্যেথে	পঠ্যধ্বে
উত্তম	পঠ্যে	পঠ্যাৱহে	পঠ্যামহে

২) ধাতু— লিখ্ (কর্তৃবাচ্যত - লিখতি)

পুৰুষ	একবচন	দ্বিবচন	বহুবচন
প্রথম	লিখ্যতে	লিখ্যেতে	লিখ্যন্তে
মধ্যম	লিখ্যসে	লিখ্যেথে	লিখ্যধ্বে
উত্তম	লিখ্যে	লিখ্যৱেহে	লিখ্যামহে

৩) ধাতু— গম্ (কর্তৃবাচ্যত - গচ্ছতি)

পুৰুষ	একবচন	দ্বিবচন	বহুবচন
প্রথম	গম্যতে	গম্যেতে	গম্যন্তে
মধ্যম	গম্যসে	গম্যেথে	গম্যধ্বে
উত্তম	গম্যে	গম্যাৱহে	গম্যামহে

৪) ধাতু— ভূ (কর্তৃবাচ্যত - ভৱতি)

পুৰুষ	একবচন	দ্বিবচন	বহুবচন
প্রথম	ভূয়তে	ভূয়েতে	ভূয়ন্তে
মধ্যম	ভূয়সে	ভূয়েথে	ভূয়ধ্বে
উত্তম	ভূয়ে	ভূয়াৱহে	ভূয়ামহে

৫) ধাতু— নী (কর্তৃবাচ্যত - নয়তি)

পুৰুষ	একবচন	দ্বিবচন	বহুবচন
প্রথম	নীয়তে	নীয়েতে	নীয়ন্তে
মধ্যম	নীয়সে	নীয়েথে	নীয়ধ্বে
উত্তম	নীয়ে	নীয়াৱহে	নীয়ামহে

৬) ধাতু— দা (কর্তৃবাচ্যত - দদাতি/যচ্ছতি)

পুৰুষ	একবচন	দ্বিবচন	বহুবচন
প্রথম	দীয়তে	দীয়েতে	দীয়ন্তে
মধ্যম	দীয়সে	দীয়েথে	দীয়ধ্বে
উত্তম	দীয়ে	দীয়াৱহে	দীয়ামহে

৭) ধাতু— স্মৃ (কর্তৃবাচ্যত - স্মৰতি)

পুৰুষ	একবচন	দ্বিবচন	বহুবচন
প্রথম	স্মর্যতে	স্মর্যেতে	স্মর্যন্তে
মধ্যম	স্মর্যসে	স্মর্যেথে	স্মর্যধ্বে
উত্তম	স্মর্যে	স্মর্যাৱহে	স্মর্যামহে

৮) ধাতু— দৃশ্ (কর্তৃবাচ্যত - পশ্যতি)

পুৰুষ	একবচন	দ্বিবচন	বহুবচন
প্রথম	দৃশ্যতে	দৃশ্যেতে	দৃশ্যন্তে
মধ্যম	দৃশ্যসে	দৃশ্যেথে	দৃশ্যধ্বে
উত্তম	দৃশ্যে	দৃশ্যাৱহে	দৃশ্যামহে

৯) ধাতু— হস্ (অকর্মক) (কর্তৃবাচ্যত - হসতি)

পুৰুষ	একবচন	দ্বিবচন	বহুবচন
প্রথম	হস্যতে	হস্যেতে	হস্যন্তে
মধ্যম	হস্যসে	হস্যেথে	হস্যধ্বে
উত্তম	হস্যে	হস্যাৱহে	হস্যামহে

১০) ধাতু— স্থা (অকর্মক) (কর্তৃবাচ্যত - তিষ্ঠতি)

পুৰুষ	একবচন	দ্বিবচন	বহুবচন
প্রথম	স্থীয়তে	স্থীয়েতে	স্থীয়ন্তে
মধ্যম	স্থীয়সে	স্থীয়েথে	স্থীয়ধ্বে
উত্তম	স্থীয়ে	স্থীয়াৱহে	স্থীয়ামহে



জানি থোৱা ভাল

ক) ণিজন্ত ধাতুৰ বাচ্য পৰিৱর্তনঃ কোনো এটা কাম নিজে নকৰি আনৰ দ্বাৰা কৰোৱা অর্থ বুজালে ধাতুৰ পিছত 'নিচ্' (ই) প্রত্যয় যোগ হয় আৰু এনেকুৱা ধাতুক ণিজন্ত ধাতু বোলে। যেনে— কৃ + নিচ্ = কাৰি - কাৰয়তি, কাৰয়তে। যাৰ দ্বাৰাই কৰোৱা হয় অর্থাৎ নিজন্ত ক্রিয়াৰ কর্ত্তাই যাক নিয়োগ কৰে, তাক প্রযোজ্য কর্ত্তা বোলে। আনহাতে, যিয়ে কামটো কৰায় অর্থাৎ যিয়ে প্রয়োগ কৰে, তাক প্রযোজক কর্ত্তা বোলে। যেনে— শিশুঃশেতে— ইয়াত শিশুঃ স্বতন্ত্র কর্ত্তা। কিন্তু মাতা শিশুং শায়য়তি—ইয়াত 'মাতা' প্রযোজক কর্ত্তা আৰু 'শিশু' প্রযোজ্য কর্ত্তা। গমনার্থ (গম্), জ্ঞানার্থ (বুধ্), ভোজনার্থ (অশ্), শব্দকর্মক (অধি-ই) আৰু অকর্মক (শী) ধাতুৰ প্রয়োগত প্রযোজ্য কর্ত্তাত কর্ম সংজ্ঞা হয় আৰু তাত দ্বিতীয়া বিভক্তি হয়।

ণিজন্ত অৱস্থাৰ বাক্যক কৰ্মবাচ্যলৈ পৰিৱৰ্তন কৰিব লাগিলে, সেই কৰ্ম হোৱা দ্বিতীয়া বিভক্তি যুক্ত প্রযোজ্যকর্ত্তাত প্রথমাবিভক্তি হয় আৰু ক্রিয়াপদটো সেই কৰ্মৰ অধীন হয়। আনহাতে অন্য কৰ্মপদ থাকিলে তাত দ্বিতীয়া বিভক্তি হৈয়ে থাকে। যেনে—

অণিজন্ত বাক্য	**ণিজন্ত বাক্য**
ৰামঃ পঞ্চৱটীং গচ্ছতি	দশৰথঃ ৰামং পঞ্চৱটীং গময়তি

বাচ্য পৰিৱৰ্তন

দশৰথেন ৰামঃ পঞ্চৱটীং গম্যতে।

খ) **কৃত্যপ্রত্যয়ান্ত ক্রিয়াৰ বাচ্য পৰিৱৰ্তন ঃ** উচিত অর্থত আৰু ভৱিষ্যত কাল বুজাবলৈ কৰ্মবাচ্য আৰু ভাৱবাচ্যত তব্য, অনীয়, ণ্যৎ, যৎ, ক্যপ্ আৰু কেলিম্ এইকেইটা প্রয়োজন অনুসৰি প্রয়োগ হয়। এইকেইটা প্রত্যয়ক একেলগে কৃত্যপ্রত্যয় বুলি কোৱা হয়। কৃত্যপ্রত্যয় প্রয়োগ হোৱা কৰ্মবাচ্য বা ভাৱবাচ্যৰ বাক্য কর্তৃবাচ্যলৈ পৰিৱৰ্তন কৰিব পাৰি। তেতিয়া কৃত্যপ্রত্যয়ান্ত ক্রিয়াৰ ঠাইত লৃট্ বা বিধিলিঙ্ বিভক্তি প্রয়োগ কৰা হয়। যেনে—

কৰ্মবাচ্য	**কর্তৃবাচ্য**
কার্য্যমিদং ময়া কৰণীয়ম্	অহং কার্য্যমিদং কৰিষ্যামি/কুর্য্যাম্
অস্মাভিঃ ৰামায়ণং পাঠ্যম্	বয়ং ৰামায়ণং পঠেম/পঠিষ্যামঃ



১৪.১০ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলোঁ—

- সংস্কৃতত বাচ্য সম্পর্কে জ্ঞান লাভ কৰিলো।
- বাচ্যৰ প্রকাৰসমূহৰ বিষয়ে অবগত হ'ব পাৰিলো।
- বাচ্য পৰিৱৰ্তনৰ নিয়মসমূহ জানিব পাৰিলো।



১৪.১১ অধিক জানিবলৈ

১) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্র (সম্পাদক— দুর্গাচৰণ সাংখ্যবেদান্ত তীর্থ) (২০০০); *সমগ্র ব্যাকৰণ কৌমুদী*; কলিকতা ঃ দেৰ সাহিত্য কুটীৰ প্রাইভেট লিমিটেড।

২) ভট্টাচার্য্য, ড° হৰিশ্চন্দ্র (১৯৯৬); *সংস্কৃত ব্যাকৰণ প্রভা*; গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৩) মণ্ডল, ললিত কুমাৰ (২০০৭); *সংস্কৃত ব্যাৰণ এবং অনুবা কলা*; নতুন দিল্লী ঃপ্রতিমা প্রকাশন।

৪) শর্মা, গিৰিধৰ (১৯৮৮); *Sanskrit Grammar Composition & Translation*; গুৱাহাটী ঃ ৰাধা প্ৰকাশন।

৫) শাস্ত্ৰী, খগেন্দ্ৰ নাথ (১৯৮৫); *সংস্কৃত প্ৰৱেশ ব্যাকৰণ*; গুৱাহাটী ঃ গ্ৰন্থপীঠ।

৬) শাস্ত্ৰী, শ্যামনন্দন (২০০৩); *আধুনিক সংস্কৃত ব্যাকৰণ ঔৰ ৰচনা*; নতুন দিল্লী ঃ ভাৰতীয় ভৱন।

১৪.১২ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ১) তেন পঠ্যতে, ২) বালেন গ্ৰন্থঃ পঠ্যতে, ৩) ছাত্ৰৈঃ পাঠং পঠ্যতে, ৪) ৰামেন ওদনং খাদ্যতে, ৫) ৰামেণ তত্ৰ স্থীয়তে।

২নং প্ৰশ্নৰ উত্তৰ ঃ ১) ভূয়তে, ২) নীয়তে, ৩) পঠ্যতে, ৪) উচ্যতে, ৫) হন্যতে।

১৪.১৩ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ তলত দিয়া বাক্যসমূহৰ বাচ্য পৰিৱৰ্তন কৰক—

ক) অহং ৰামং পশ্যামি।

খ) ত্বয়া লেখঃ লিখ্যতে।

গ) অস্মাভিঃ অন্নেন জীব্যতে।

ঘ) কৱয়ঃ কবিতাং কুৰ্বন্তি

ঙ) বালিকয়া অন্নং পক্ষ্যতি

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক—

সকৰ্মক ধাতু, দ্বিকৰ্মক ধাতু

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ ব্যাচ্যৰ প্ৰকাৰসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওঁক।

প্ৰশ্ন ২ ঃ তলত দিয়া ক্ৰিয়াসমূহ কৰ্তৃবাচ্যৰ ক্ৰিয়ালৈ ৰূপান্তৰ কৰক।

*** ***** ***



প্রসঙ্গ পুথি

১) কাত্রে, সুমিত্রা (সম্পাদিত) (১৯৮৯); *অষ্টাধ্যায়ী অব্ পাণিনি*; দিল্লী ঃ মোতিলাল বানাৰসী দাস।

২) চক্রৱর্তী, ড° সত্যনাৰায়ণ (২০০৩); *পাণিনীয় শব্দশাস্ত্র*, কলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

৩) চক্রৱর্তী, মহেশ্বৰ (১৯৭৪); *সংস্কৃত ব্যাকৰণ প্রৱেশিকা*, গুৱাহাটী ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্রণয়ন আৰু প্রকাশন নিগম লিমিটেড্।

৪) চেটার্জী, ক্ষিতীশ চন্দ্র (সম্পাদিত); *চান্দ্র ব্যাকৰণ অব্ চন্দ্রগোমিন্*; পুনা ঃ এছ্ এম্, কাত্রেৰ দ্বাৰা প্রকাশিত।

৫) ত্রগ্লিঙ্, জুলিয়াছ (সম্পাদিত) (১৯৭৬); *দি কাতন্ত্র উইথ দি কমেণ্টৰি অব্ দুর্গসিংহ*; কলকাতা ঃ ব্যাপটিষ্ট মিছন প্রেছ।

৬) দাস, গোপীচৰণ (সম্পাদিত) (১২৯১ বাংলা); *হৰিনামামৃতং ৱৈষ্ণৱব্যাকৰনম্*; মুর্ছিদাবাদ ঃ ৰামনাৰ, স্ৱর্ণ বিদ্যাৰত্ন দ্বাৰা প্রকাশিত।

৭) দেৱশর্মা, শ্রীকাশীজীবন (১৯৯৫); *শব্দশাস্ত্রেৰ ইতিহাস*; কলকাতা ঃ ৰামকৃষ্ণ মিছন ইনছটিটিউট অব্ কালচাৰ।

৮) প্রসাদ, মহামোহপাধ্যায় বিধ্যেশ্ৱৰী (সম্পাদিত) (১৯১৮); *জৈনেন্দ্র ব্যাকৰণ উইথ মহাৱৃত্তি*; ৰেনাৰস ঃ এইচ্, এন্ বাগ্ছি দ্বাৰা প্রকাশিত।

৯) বসু, শ্রীশ চন্দ্র (২০০৯); *দ্য অষ্টাধ্যায়ী অব্ পাণিনি* (খণ্ড ১ম, ২য়); দিল্লী ঃ মতিলাল বাণাৰসী দাস পাবলিছার্ছ প্রাইভেট লিমিটেড্।

১০) বৰপূজাৰী, অৰুণ চন্দ্র (২০০৭); *সংস্কৃত প্রৱেশ ব্যাকৰণ*; পাণবজাৰ, গুৱাহাটী ঃ অশোক বুকষ্টল।

১১) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্র (২০০০); *ব্যাকৰণ কৌমুদী*; কলকাতা ঃ দেৰ সাহিত্য কুটীৰ।

১২) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্র (সম্পাদক— দুর্গাচৰণ সাংখ্যৱেদান্ত তীর্থ) (২০০০); *সমগ্র ব্যাকৰণ কৌমুদী*; কলিকতা ঃ দেৰ সাহিত্য কুটীৰ প্রাইভেট লিমিটেড।

১৩) ভট্টাচার্য্য, ড° হৰিচন্দ্র (১৯৯৬); *সংস্কৃত ব্যাকৰণ প্রভা*; দীঘলীপুখুৰী পাৰ, গুৱাহাটী ঃ বৰুৱা এজেন্সি।

১৪) ভদ্র, সুধেন্দ্র মোহন (১৯৭৪); *সংস্কৃত ব্যাকৰণ ও ৰচনা চয়ন*; গুৱাহাটী ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্রণয়ন আৰু প্রকাশন লিমিটেড।

১৫) মণ্ডল, ললিত কুমাৰ (২০০৭); *সংস্কৃত ব্যাৰণ এৱং অনুৱা কলা*; নতুন দিল্লী ঃ প্রতিমা প্রকাশন।

১৬) মিশ্র, গোমতীপ্রসাদ শাস্ত্রী (সম্পাদিত); *লঘুসিদ্ধান্তকৌমুদী*; বাৰানসী ঃ চৌখাজ সুৰভাৰতী প্রকাশন।

১৭) শর্মা, গিৰিধৰ (১৯৮৮); *Sanskrit Grammar composition & Translation*, গুৱাহাটী ঃ ৰাধা প্রকাশন।

১৮) শর্মা, ড° থানেশ্বৰ; (১৯৯৫), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, পাণবজাৰ, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১৯) শর্মা, নৰেন্দ্রনাথ (সম্পাদিত) (১৯৮৩); *প্রয়োগৰত্নমালা*; গুৱাহাটী ঃ অসম সংস্কৃত বোর্ড।

২০) শর্মা, বাসুদেৱ (সম্পাদিত) (১৯৩৫); *সাৰস্বত ব্যাকৰণম্*; মুম্বাই ঃ তুকাৰাম জাবজী কর্ত্তৃক প্রকাশিত।

২১) শর্মা, ড° জগদীশ; গোস্বামী, ড° ভাৰতী (২০১১); *সংস্কৃত ব্যাকৰণ জ্যোতি*; গুৱাহাটী ঃ অশোক পাব্লিকেশ্বনছ।

২২) শর্মা, ড° মুকুন্দমাধৱ (১৯৯৪); *সংস্কৃত ব্যাকৰণ আৰু ৰচনা*; গুৱাহাটী ঃ বাণী প্রকাশ।

২৩) শর্মা, মাধৱ কৃষ্ণ (২০০৯); *পাণিনি, কাত্যায়ন এণ্ড পতঞ্জলি*; দিল্লী ঃ শ্রীলাল বাহাদুৰ শাস্ত্রী ৰাষ্ট্রীয় সংস্কৃত বিদ্যাপীঠ।

২৪) শাস্ত্রী, খগেন্দ্র নাথ (১৯৮৫); *সংস্কৃত প্রৱেশ ব্যাকৰণ*; পাণবজাৰ, গুৱাহাটী ঃ গ্রন্থপীঠ।

২৫) শাস্ত্রী, শ্যামনন্দন (২০০৩); *আধুনিক সংস্কৃত ব্যাকৰণ ঔৰ ৰচনা*; নতুন দিল্লী ঃ ভাৰতীয় ভৱন।

২৬) শিবদত্তশাস্ত্রী (সম্পাদিত) (১৯৪৮); *বৈয়াকৰণসিদ্ধান্তকৌমুদী*, মুম্বাই ঃ ক্ষেমৰাজ শ্রীকৃষ্ণ দাস (প্রকাশিত)।

২৭) শ্রীৰুদ্রধৰ ঝা (সম্পাদিত), (১৯৯০) (৩য় সংস্কৰণ); *মহাভাষ্য*; বাৰানসী ঃ চৌখম্বা সংস্কৃত সংস্থান।

২৮) সিদ্ধান্তবাগীশ, ৰোহিনী কান্ত (সম্পাদিত) (১৩৩২ বাংলা); *কলাপ ব্যাকৰণম্*, অখিল বন্ধু ভট্টাচার্য্য কর্ত্তৃক প্রকাশিত, সংস্কৃত পুস্তকালয়।

২৯) হালদাৰ, গুৰপদ (২০০৬) (পুনর্মুদ্রণ); *ব্যাকৰণ দর্শনেৰ ইতিহাস*; কলকাতা ঃ সংস্কৃত বুক ডিপো।

৩০) Machonel, Dr. A. A. (1927); *A Sanskrit Grammar for Students*; New Delhi: Motilal-Banersidass.